**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-02-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি গুজৰাটত লৌহমানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ মূৰ্তিত পুষ্পমাল্য অৰ্পণ কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাকুম্ভক একতাৰ মহাযজ্ঞ বুলি অভিহিত কৰি এইবাৰৰ মহাকুম্ভ সঁচাকৈয়ে অভিনৱ আছিল বুলি প্ৰকাশ কৰে।

৩। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দেখা দিয়া বিভিন্ন প্ৰত্যাহ্বান নেওচি ভাৰত বিকাশৰ দিশত অগ্ৰসৰ হৈছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি মুম্বাইত ভাৰত কলিং সন্মিলন, ২০২৫ মুকলি কৰে।

আৰু

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাৱালপিণ্ডি ক্ৰিকেট ষ্টেডিয়ামত গ্ৰুপ এৰ এখন খেলত পাকিস্তানে বাংলাদেশৰ বিৰুদ্ধে খেলিব।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি চাৰিদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ গৈছে। শ্ৰীমতী মুৰ্মুৱে আজি একতাৰ প্ৰতিমূৰ্তি পৰিদৰ্শন কৰি লৌহমানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ মূৰ্তিত পুষ্পমাল্য অৰ্পণ কৰে। ইয়াৰ পাছত তেওঁ একতা নগৰত জংগল চাফাৰী কৰে। তেওঁ লগতে একতা নগৰত থকা একতা দক্ষতা বিকাশ কেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। ভ্ৰমণসূচীৰ অংশ হিচাপে শ্ৰীমতী মুৰ্মু আহমেদাবাদৰ নেশ্যনেল ইনষ্টিটিউট অব ডিজাইনৰ ৪৪ সংখ্যক অভিৱৰ্তনত ভাগ লোৱাৰ কথা। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ গান্ধী নগৰত থকা ৰাষ্ট্ৰীয় ফৰেনচিক বিশ্ববিদ্যালয়ৰ তৃতীয় অভিৱৰ্তনত উপস্থিত থাকিব। তেওঁ ভূজত থকা স্মৃতিভান ভূমিকম্প স্মাৰকলৈও যাব। পহিলা মাৰ্চত ৰাষ্ট্ৰীয় ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ ধোলাভিৰালৈ যাব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাকুম্ভক একতাৰ মহাযজ্ঞ বুলি অভিহিত কৰিছে। তেওঁ কয়, যে নিজৰ ঐতিহ্যক লৈ দেশে গৌৰৱ বোধ কৰে আৰু নতুন শক্তিৰে ভৱিষ্যতৰ বাবে আগবাঢ়ি গৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয়, যে দেশৰ ভৱিষ্যত ৰচনা কৰাৰ বাবে এয়া হৈছে ৰূপান্তৰৰ আৰম্ভণি। মহাকুম্ভত বৃহৎ সংখ্যক ভক্তই অংশগ্ৰহণ কৰাটো কেৱল এটা অভিলেখেই নহয়, বৰঞ্চ ই শতিকা শতিকা জুৰি দেশৰ বৰ্ণাঢ্য ঐতিহ্য আৰু সংস্কৃতিৰ শক্তিশালী ভেটি স্থাপন কৰিলে। মহাকুম্ভৰ সফল সমাপ্তিক লৈ সন্তুষ্টি প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে জনসাধাৰণৰ প্ৰচেষ্টা, কঠোৰ পৰিশ্ৰম আৰু সংকল্পৰ শলাগ লয়। তেওঁ কয়, যে বিগত ৪৫ দিনত প্ৰয়াগৰাজত বিপুল সংখ্যক ভক্তৰ সমাহাৰে ১৪০ কোটি ভাৰতীয়ৰ বিশ্বাসক প্ৰতিফলিত কৰিলে। সমাজৰ সকলো শ্ৰেণীৰ লোক একত্ৰিত হোৱা এই মহাকুম্ভ সঁচাকৈ অভিনৱ আছিল বুলি শ্ৰী মোদীয়ে মত প্ৰকাশ কৰে।

০০০০০০০০০

আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দেখা দিয়া বিভিন্ন প্ৰত্যাহ্বান নেওচি ভাৰত বিকাশৰ দিশত অগ্ৰসৰ হৈছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি এখন সংবাদ সন্মিলনত ভাষণ দি শ্ৰীমতী সীতাৰমনে কয় যে আন্তঃৰাষ্ট্ৰীয় যোগান শৃংখলাৰ কেন্দ্ৰীকৰণৰ বাবে বৰ্তমান ভালেমান প্ৰত্যাহ্বান আহি পৰিছে। মন্ত্ৰী গৰাকীয়ে কয় যে আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা ,বিকশিত ৰাষ্ট্ৰ সমূহক নিৰ্ধাৰণ কৰিবলৈ দিয়া নহব। নতুন আন্তঃৰষ্ট্ৰীয় ব্যৱস্থাত বাণিজ্য আৰু প্ৰযুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে ভাৰতে ইয়াত অংশ গ্ৰহণ কৰিব লাগিব। শ্ৰীমতী সীতাৰমনে বিকশিত ৰাষ্ট্ৰ সমূহকো প্ৰযুক্তি আৰু মেধাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰে। ভাৰতে নিজৰ কৌশলগত প্ৰয়োজন সমূহ কাৰ্যসূচীত আগস্থান দিব লাগিব বুলিও তেওঁ কয় । মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্ধিত মধ্যবিত্ত, দৰিদ্ৰ আৰু উদ্যমী শ্ৰেণীৰ, আকাংক্ষা সমূহ পূৰণৰ বাবে ভালেমান মৌলিক বিষয়ত কাম কৰাৰ প্ৰয়োজন আছে।

০০০০০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উৰুগুৱে, বাহামাছ, বাৰবাডোছ আৰু নিকাৰাগুৱাৰ ৯ দিনীয়া ভ্ৰমণসূচীৰে কাইলৈ ৰাওনা হ'ব।

এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত মন্ত্ৰীগৰাকীয়ে উৰুগুৱেৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতি য়ামাণ্ডু অ'ৰছিৰ শপত গ্ৰহণ অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই ভ্ৰমণে উৰুগুৱেৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰিবলৈ ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

পৱিত্ৰ মাৰ্ঘেৰিটাৰ বাহামাছ ভ্ৰমণে যোৱা বছৰ নৱেম্বৰত গুয়ানাত অনুষ্ঠিত দ্বিতীয় ভাৰত-কেৰিক'ম শীৰ্ষ সন্মিলনৰ সময়ত ভাৰত আৰু বাহামাছৰ প্ৰতিনিধিবৰ্গৰ মাজত হোৱা আলোচনাক আগুৱাই লৈ যাব। দুয়োখন দেশৰ মাজৰ বৰ্তমানৰ সম্পৰ্ক অধিক সুদৃঢ় কৰা আৰু সহযোগিতাৰ নতুন ক্ষেত্ৰৰ অন্বেষণ মন্ত্ৰীগৰাকীৰ এই যাত্ৰাৰ মূল উদ্দেশ্য বুলি কোৱা হৈছে।

বাৰবাডোছ ভ্ৰমণকালত শ্ৰী মাৰ্ঘেৰিটাই সফল ভাৰত-কেৰিক'ম শীৰ্ষ সন্মিলনৰ পাছত দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ সন্মানীয় অৰ্ডাৰ অব্ ফ্ৰীডম অব্ বাৰবাডোছ সন্মান গ্ৰহণ কৰিব। ভাৰত-কেৰিক'ম শীৰ্ষ সন্মিলনৰ সময়ত এই সন্মান ঘোষণা কৰা হৈছিল।

এই ৯ দিনীয়া ভ্ৰমণৰ অন্তিম পৰ্যায়ত মন্ত্ৰীগৰাকী নিকাৰাগুৱালৈ যাব। তাত তেওঁ কেইবাখনো দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তৰফৰ পৰা এয়া প্ৰথম মন্ত্ৰী পৰ্যায়ৰ নিকাৰাগুৱা ভ্ৰমণ হ'ব। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰীগৰাকীয়ে এই চাৰিদেশীয় ভ্ৰমণকালত দেশ কেইখনৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হ'ব আৰু ৰাজনীতি, ব্যৱসায় আৰু উদ্যোগ জগতৰ বিশিষ্ট ব্যক্তি আৰু দেশকেইখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে আলোচনাত মিলিত হ'ব। শ্ৰী মাৰ্ঘেৰিটাই ভ্ৰমণকালত দ্বিপাক্ষিক উন্নয়ন সহযোগিতা প্ৰকল্পৰ স্থলীসমূহো পৰিদৰ্শন কৰিব।

০০০০

অহা ১ মে'ৰ পৰা ৪ মে'লৈ মুম্বাইত অনুষ্ঠিত হ'বলগীয়া ৱেভছ্ শীৰ্ষ সন্মিলনত সংবাদ মাধ্যম আৰু মনোৰঞ্জন উদ্যোগৰ সকলো দিশৰ সমাৱেশ ঘটিব বুলি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে জানিবলৈ দিছে। আজি বেংগালুৰুত এ ভি জি চি খণ্ডৰ বাবে জি এ এফ এক্স অনুষ্ঠান উদ্বোধন কৰি দিয়া ভাষণত এই অন্যতম শীৰ্ষ সন্মিলনখনৰ বিষয়ে উল্লেখ কৰি সঞ্জয় জাজুৱে কয়, যে এই সন্মিলনে

কনটেণ্ট ক্রিয়েটৰ আৰু প্ৰযুক্তি বিশেষজ্ঞসকলক একেলগে কাম কৰাৰ সুযোগ দিব। ইয়াৰ জৰিয়তে দেশৰ এ ভি জি চি খণ্ডৰ বিকাশৰ পথ ত্বৰান্বিত হ'ব বুলিও তেওঁ কয়।

oooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি মুম্বাইত ভাৰত কলিং সন্মিলন, ২০২৫ মুকলি কৰে। সন্মিলনত ভাষণ দি শ্ৰী গোৱেলে কয়, যে মেক্ ইন ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া, ষ্টাৰ্টআপ ইণ্ডিয়া আৰু আত্মনিৰ্ভৰ ভাৰতৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ কৌশলগত পদক্ষেপসমূহৰ জৰিয়তে দেশ উদ্ভাৱন আন্তঃগাঁথনিৰ বিকাশ আৰু অৰ্থনৈতিক ৰূপান্তৰকৰণৰ দিশত খৰতকীয়া গতিৰে আগবাঢ়িছে। দেশত বহু সুযোগৰ এতিয়াও অন্বেষণ হোৱা নাই বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে পূৰ্বে সামগ্ৰীৰ গুণগত মান এটা উদ্বেগৰ বিষয় আছিল। কিন্তু বৰ্তমান ভাৰত সেই স্থিতিৰ পৰা বহু ওপৰলৈ আহিছে। তেওঁ লগতে সামগ্ৰীৰ বহন ক্ষমতাৰ বিষয়টোও ব্যৱসায় বাণিজ্যৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে দক্ষতা নিৰ্মাণে দেশৰ অৰ্থনীতি শক্তিশালী কৰে আৰু দক্ষতাৰ বিকাশে ভৱিষ্যতে বহু নতুন কৰ্ম সংস্থাপনৰ সৃষ্টি কৰিব।

ooooooooo

ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ৰান ডেৰ লেয়েন আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। অধ্যক্ষগৰাকীৰ এয়া হৈছে তৃতীয়টো ভাৰত ভ্ৰমণ। শ্ৰীমতী লেয়েনে আজি বিয়লি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰক সাক্ষাৎ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অধ্যক্ষগৰাকীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হ'ব।

২০০৪ চনৰ পৰা ৰাজনৈতিক সম্পৰ্ক থকা ভাৰত আৰু ইউৰোপৰ মাজৰ বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্কৰ সম্প্ৰসাৰণ ঘটোৱা হৈছে। ইউৰোপীয় আয়োগৰ অধ্যক্ষগৰাকীৰ এই ভ্ৰমণে বিভিন্ন দ্বিপাক্ষিক সম্পৰ্কৰ শক্তিশালী কৰাৰ পথ প্ৰশস্ত কৰিব।

oooo

আম আদমী পাৰ্টীৰ বিধায়কসকলে আজি দিল্লী বিধানসভাৰ বাহিৰত তেওঁলোকক সদনৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰাত বাধা দিয়াৰ বাবে বিক্ষোভ প্ৰদৰ্শন কৰে। এই কাৰ্যক অগণতান্ত্ৰিক বুলি আখ্যা দি বিৰোধী দলপতি আতিশীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে আপৰ বিধায়কসকলক সদনৰ পৰা নিলম্বন কৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক বিধানসভাৰ চৌহদত প্ৰৱেশ কৰাত অনুমতি দিয়া হোৱা নাই।

ইপিনে, মন্ত্ৰী কপিল মিশ্ৰাই কয়, যে আপৰ বিধায়কসকলক উপ-ৰাজ্যপালে বিধানসভাত ভাষণ দি থকাৰ সময়ত কৰা দুৰ্ব্যৱহাৰৰ বাবে নিলম্বিত কৰা হৈছে। শ্ৰী মিশ্ৰাই সাংবাদিকৰ আগত কয় যে আইন অনুসৰি বিধানসভাৰ কাম-কাজ চলিব। বিজেপিৰ বিধায়ক সতীশ উপাধ্যায়েও আইন অনুসৰি বিধানসভাৰ কাম-কাজ চলিব বুলি উল্লেখ কৰি কয় যে বিৰোধী সদস্যসকলে এনেদৰে সদনৰ কাম-কাজত ব্যাঘাত জন্মালে অধ্যক্ষই তেওঁলোকৰ বিৰুদ্ধে সিদ্ধান্ত ল'বলৈ পুনৰ বাধ্য হ'ব।

ooooooooo

ভাৰতে পেট্ৰ'লৰ সৈতে মিহলি কৰা ইথানলৰ পৰিমাণ ২০ শতাংশতকৈও অধিক কৰাৰ কথা বিবেচনা কৰিছে বুলি কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। গুৱাহাটীৰ খানাপাৰাত কালি সামৰণি পৰা বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশ ইতিমধ্যে ১৯ দশমিক ৬ শতাংশ ইথানল মিহলিৰ লক্ষ্যত

উপনীত হৈছে। তেওঁ উন্নয়নমূলক প্ৰত্যাহ্বান সত্বেও দেশৰ জীৱাশ্ম ইন্ধন কোম্পানীসমূহে ২০৪৫ চনৰ ভিতৰত শূন্য কাৰ্বন নিস্কাষণৰ লক্ষ্যত উপনীত হোৱাৰ সম্ভাৱনা আছে বুলি ভাষণত উল্লেখ কৰে।

অসমৰ শক্তি আন্তগাঁথনি সুদৃঢ়কৰণৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এডভাণ্টেজ আছামৰ যোৱা বাৰৰ সংস্কৰণত পেট্ৰোলিয়াম মন্ত্ৰালয়ে বাৰাউনীৰ পৰা নুমলীগড়লৈ এহেজাৰ ৬০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ গেছ গ্ৰীড সম্প্ৰসাৰণৰ পৰিকল্পনাৰ বিষয়ে ঘোষণা কৰিছিল বুলি উল্লেখ কৰে। নুমলীগড় শোধনাগাৰৰ শোধন ক্ষমতা ৯ নিযুত টনলৈ বৃদ্ধি পোৱা বুলি জানিবলৈ দি ড০ শৰ্মাই কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীগৰাকীক বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা বৃদ্ধিৰ বাবেও আহ্বান জনায়। ইয়াৰ লগতে বিকল্প শক্তি উৎসৰ ক্ষেত্ৰতো অসমে প্ৰভূত বিকাশ সাধন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। যোৰহাটত সৌৰশক্তি ব্যৱহাৰেৰে দৈনিক ১০ কিলোগ্ৰাম সেউজ হাইড্ৰ'জেন উৎপাদন প্ৰকল্প আৰম্ভ হোৱাৰ বিষয়েও ড০ শৰ্মাই কালি বিনিয়োগ সন্মিলনত উল্লেখ কৰে।

০০০০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাৱালপিণ্ডি ক্ৰিকেট ষ্টেডিয়ামত গ্ৰুপ এৰ এখন খেলত পাকিস্তানে বাংলাদেশৰ বিৰুদ্ধে খেলিব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে কালি লাহোৰত অনুষ্ঠিত এখন খেলত আফগানিস্তানে ইংলেণ্ডক ৮ ৰাণত পৰাস্ত কৰে। এই ফলাফলৰ পাছত ইংলেণ্ড প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। খেলখনত ইংলেণ্ডে ৩২৬ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ৪৯ অ'ভাৰ ৫টা বলত ৩১৭ ৰাণত আটাইকেইটা উইকেট হেৰুৱায়।

০০০০০০০

সমাপ্ত